# BELIEVERS EASTERN CHURCH

# ৰখীয়াৰ পত্ৰ

জানুৱাৰী/ ফেব্ৰুৱাৰী ২০২৫

**মোৰ প্ৰিয় ৰখীয়া সকল আৰু পবিত্ৰ মণ্ডলীৰ বিশ্বাসীসকল**

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ পৰা অনুগ্ৰহ, দয়া আৰু শান্তি আপোনালোকৰ সৈতে হওক ✠।

অতি প্ৰাচীন কালৰ পৰা, মহা দুখভোগ আমাৰ আত্মাৰ শুদ্ধিকৰণৰ বাবে পবিত্ৰ মণ্ডলীয়ে পৃথক কৰা এটা কাল, ঈশ্বৰৰ সৈতে আমাৰ সম্বন্ধ গভীৰ কৰাৰ বাবে, নিজকে নম্ৰ কৰাৰ কাল, আমাৰ প্ৰভুৰ সীমাহীন দয়াৰ ওপৰত চিন্তা কৰাৰ আৰু পাচকা (ইষ্টাৰ)ৰ গৌৰৱময় উদযাপনৰ বাবে আমাৰ হৃদয় প্ৰস্তুত কৰাৰ বাবে নিৰ্ধাৰিত কৰা হৈছে।

যিদৰে আমি এই পবিত্ৰ যাত্ৰাৰ আৰম্ভ কৰিবলৈ প্ৰস্তুত হওঁ, মই আপোনালোকৰ আত্মিক পিতৃ হিচাপে আপোনালোকৰ ধ্যান কিছু নিৰ্দিষ্ট নিৰ্দেশনাৰ প্ৰতি লৈ যাব বিচাৰোঁ, যিয়ে আপোনালোকক এই পৰ্বৰ বিশ্বাসযোগ্যভাৱে আৰু অৰ্থপূৰ্ণভাৱে পালন কৰাত সহায়ক হ'বঃ

**১) উপবাসঃ** মহা-দুখভোগৰ সময়ত উপবাসৰ অনুশাসন, অনুতাপ আৰু আত্মনিয়ন্ত্ৰণৰ এক কাৰ্য্য হয়। আমাৰ প্ৰভু যীচু খ্ৰীষ্টই সাধু মথিয়ে লিখা শুভবাৰ্তা ৪ঃ১৭ পদত কৈছেঃ "মন পালটোৱা, কিয়নো স্বৰ্গৰাজ্য ওচৰ হল।" অনুতাপ কেৱল আমাৰ পাপবোৰক স্বীকাৰ কৰাই নহয়, বৰং আমাৰ সম্পূৰ্ণ অস্তিত্বক ঈশ্বৰৰ ফালে ঘূৰোৱা— আমাৰ হৃদয়ক মুকলি কৰা যাতে আমি তেওঁৰ অনুগ্ৰহ, কৰুণা আৰু শুচিকৰণক গ্ৰহণ কৰিব পাৰোঁ। এইবাবে, আমি কেৱল ভোজনৰ পৰা দূৰত থকালৈ ধ্যান নিদি, বৰং সেই সকলো কথাবোৰৰ পৰাও দূৰত থাকিবলৈ চেষ্টা কৰোঁ যিবোৰে আমাক ঈশ্বৰ আৰু আমাৰ একে মনুষ্যৰ পৰা দূৰ কৰে— অহংকাৰ, ক্ৰোধ, লোভ, তিক্ততা আৰু সেই সকলো কথা যিবোৰে আমাৰ আত্মাৰ আন্তৰিক মন্দিৰক ধ্বংস কৰে।

**২) অধিক প্ৰাৰ্থনাঃ** আহক আমি প্ৰাৰ্থনাৰ মাধ্যমেৰে ঈশ্বৰৰ সৈতে আমাৰ সম্বন্ধক গভীৰ কৰিবৰ বাবে নিজকে সমৰ্পিত কৰোঁ।

- দৈনিক প্ৰাৰ্থনাঃ প্ৰতিদিনে ব্যক্তিগত প্ৰাৰ্থনাৰ এক নিয়মিত সময় বনাওক।
- লিটাৰ্জীকেল প্ৰাৰ্থনাঃ আপোনালোকৰ মণ্ডলীত আয়োজিত দৈনিক আৰাধনা আৰু প্ৰাৰ্থনাসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰক, যিদৰে এইবোৰে প্ৰতিফলন আৰু আৰাধনা কৰিবলৈ গভীৰ সুযোগ প্ৰদান কৰে।
- যীচুৰ প্ৰাৰ্থনাঃ যিমান অধিক সম্ভৱ সিমানে যীচুৰ প্ৰাৰ্থনাক অভ্যাস কৰকঃ "হে প্ৰভু যীচু খ্ৰীষ্ট, ঈশ্বৰৰ পুত্ৰ, মই যি এজন পাপী, মোক দয়া কৰা।"

**৩) দান দিয়াঃ** মহা দুখ-ভোগে আমাক অভাৱী সকলৰ চোৱা-চিতা কৰিবলৈ আহ্বান কৰে। আমাৰ প্ৰভুৰ এই বাক্যক সোঁৱৰণ কৰকঃ "মোৰ এই ভাইবিলাকৰ মাজৰ সৰু এটিলৈকো যি কৰিছিলা, তাক মোলৈকেহে কৰিছিলা" (সাধু মথি ২৫ঃ৪০)।

ক) আপোনাৰ আয় আৰু উৎসসমূহৰ এক ভাগ আপোনাৰ সমাজত দুখীয়া আৰু অভাৱী সকলৰ সহায় কৰিবলৈ পৃথক কৰক।

খ) মণ্ডলীৰ দ্বাৰা আৰম্ভ কৰা কাৰ্য্যবোৰত সক্ৰিয়ভাৱে ভাগ লওঁক, আপোনাৰ সময়, প্ৰতিভা আৰু ধনৰ অৱদান দি যোগদান কৰক।

গ) পীড়িত সকলৰ প্ৰতি কৰুণা দেখুওঁৱাক আৰু আপোনাৰ প্ৰত্যেক কাৰ্য্যত দয়ালু, সহানুভূতি আৰু শান্ত্বনা প্ৰদৰ্শন কৰক।

মনত ৰাখিব, উৎসৰ্গ কৰা প্ৰতিটো প্ৰাৰ্থনা, প্ৰতিটো দান-বৰঙণিৰ কাৰ্য্য আৰু প্ৰলোভন জয় কৰাৰ প্ৰতিটো প্ৰচেষ্টাৰ যোগেদি আমি পুনৰুত্থানৰ পোহৰৰ কাষ চাপি যাওঁ।

মহা দুখ-ভোগ কেৱল ব্যক্তিগত অনুশাসন নহয়, বৰং এক সাম্প্ৰদায়িক প্ৰচেষ্টা। আমি এটা মণ্ডলী, আৰু একেলগে, আহক আমি আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ আদৰ্শ অনুসৰণ কৰিবলৈ চেষ্টা কৰোঁ, যিজনাই আমাৰ বাবে চল্লিশ দিন ধৰি অৰণ্যত উপবাস কৰিছিল, আমাক নিজকে-অস্বীকাৰ কৰা আৰু আত্মিক নৱীকৰণৰ পথ দেখুৱাইছিল।

পবিত্ৰ মণ্ডলীয়ে প্ৰদান কৰা লেণ্টৰ উৎসসমূহ, যেনে দৈনিক শাস্ত্ৰ পাঠ আৰু আমাৰ প্ৰিয় মেট্ৰ'পলিটান পিতৃ, ম'ৰান ম'ৰ আথানাছিয়'ছ যুহান প্ৰথমৰ ধন্য স্মৃতি, তেওঁৰ লেখাসমূহক ব্যৱহাৰ কৰিবলৈ নাপাহৰিব, যিবোৰে আপোনাৰ আত্মাক ভৰণ-পোষণ কৰিব পাৰে।

এই কালৰ বাবে এটা সময় হব পাৰেঃ

- ব্যক্তিগত প্ৰতিফলন, আত্মিক বৃদ্ধি, আৰু সম্বন্ধৰ সুস্থতা
- আপোনাৰ বিবেকক আন্তৰিকতাৰে পৰীক্ষা কৰা, ঈশ্বৰ আৰু আনৰ সৈতে আপোনাৰ সম্বন্ধত ক'ত ক্ষতি হৈছে তাত অনুতাপ কৰা
- নম্ৰতাৰে স্বীকাৰোক্তিৰ বিধিৰ কাষ চাপি অহা, ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰা আপোনাৰ আত্মাৰ শুদ্ধতা বিচৰা
- আপোনাৰ অন্যায় কৰা সকলক ক্ষমা কৰা আৰু আপুনি আঘাত কৰা সকলৰ পৰা ক্ষমা বিচৰা
- ঈশ্বৰ আৰু আনৰ আগত নিজকে নম্ৰ কৰা
- য'ত বিভাজন আছে তাত শান্তি স্থাপন কৰা আৰু
- খ্ৰীষ্টত এক শৰীৰ হিচাপে জীয়াই থাকিবলৈ চেষ্টা কৰা

মই আপোনালোকৰ প্ৰত্যেকৰে বাবে মোৰ প্ৰাৰ্থনা কৰিছোঁ যে ঈশ্বৰৰ অনুগ্ৰহই আপোনালোকক এই গোটেই পবিত্ৰ উপবাসৰ দিনবোৰত শক্তিশালী কৰক। তেওঁ আপোনালোকক তেওঁৰ ইচ্ছাক বিবেচনা কৰাৰ প্ৰজ্ঞা, তেওঁৰ আজ্ঞা অনুসৰণ কৰাৰ শক্তি আৰু সকলোলৈকে তেওঁৰ দয়া বিস্তাৰ কৰাৰ প্ৰেম প্ৰদান কৰক।

পবিত্ৰ ত্ৰি-ত্ব, পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাই তেওঁৰ প্ৰচুৰ অনুগ্ৰহ আৰু দয়াৰে আমাক পথ প্ৰদৰ্শন কৰক আৰু সকলো সাধু আৰু থিয়'ট'কছৰ মধ্যস্থতাই ঈশ্বৰৰ সিংহাসনৰ আগত আমাক ৰক্ষা কৰি থাকে, এতিয়া আৰু সৰ্বদায়। আমেন।

পিতৃৰ প্ৰেমেৰে আৰু প্ৰাৰ্থনাৰে

ম'ৰান ম'ৰ চামুৱেল থিয়'ফিলাছ মেট্ৰ'পলিটান

তাৰিখঃ ১১ ফেব্ৰৱাৰী ২০২৫
স্থানঃ ওৱৰ্ল্ড চাৰ্চ হেডকুৱাটাৰ

---

বিঃদ্ৰঃ অনুগ্ৰহ কৰি নিশ্চিত হওক যে এইটো সকলো আঞ্চলিক ভাষালৈ অনুবাদ কৰা হয় আৰু বিশ্বাসীসকলৰ উৎসাহৰ বাবে সকলো পাৰিচতে পঢ়া হয়।